**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ বদোদৰাত ৩৫ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ওপজা দিন। ওপজা দিনত উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি বিভিন্নজনৰ শিল্পীগৰাকীক সোঁৱৰণ।

৩। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি শ্ৰীলংকালৈ ৰাওনা হ'ব।

৪। আজি আন্তৰ্জাতিক সাক্ষৰতা দিৱস। ইউনেস্কোৰ উদ্যোগত প্ৰতিবছৰে ৮ চেপ্তেম্বৰত এই দিৱস উদযাপন কৰি অহা হৈছে। ***আৰু***

৫। ভাৰতৰ জুনিয়ৰ পুৰুষ হকী দলে এচিয়া কাপ জুনিয়ৰ হকী প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশৰ সম্ভাৱনা উজ্জীৱিত কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ বদোদৰাত ৩৫ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ২০ হাজাৰ ৭০০ কোটি টকাৰো অধিক ব্যয়সাপেক্ষে বিকশাই তোলা পশ্চিম অঞ্চলৰ উৎসৰ্গিত মালবাহী কৰিড'ৰৰ তিনিটা গুৰুত্বপূৰ্ণ অংশ ৰাষ্ট্ৰৰ সেৱাত উৎসৰ্গা কৰে। শ্ৰীমোদীয়ে নিউ সানন্দ (উত্তৰ), নিউ মকৰপুৰা, নিউ আম্বাৰগাঁও আৰু নিউ জে এন পি টি মুম্বাইৰ পৰা মালবাহী ৰে'ল সেৱাও মুকলি কৰে। এই ৰে'ল সেৱাই দূৰণিবতীয়া জনজাতি বসতিপ্ৰধান অঞ্চলসমূহক ৰাষ্ট্ৰীয় ৰে'ল সেৱাৰ সৈতে সংযুক্ত কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে দেশৰ পৰিবহণ আৰু যাতায়াত ব্যৱস্থা দ্ৰুত ৰূপান্তৰ হোৱা বুলি মত প্ৰকাশ কৰে। তেওঁ কয়, যে দুহেজাৰ ৮০০ দৈৰ্ঘ্য কিলোমিটাৰৰ উৎসৰ্গিত মালবাহী কৰিড'ৰ একবিংশ শতিকাৰ ভাৰতৰ ঐতিহাসিক সফলতা আৰু দেশৰ পৰিৱৰ্তিত কৰ্ম সংস্কৃতিৰ নমুনা বুলি ক'ব পাৰি।

**বাইট (পি এম)-১**

তেওঁ কয়, যে এই প্ৰকল্পৰ ২০০৬ চনতে পৰিকল্পনা কৰা হৈছিল যদিও কাৰ্য ৰূপায়ণ কৰা হোৱা নাছিল। বিগত এটা দশকত এনে প্ৰকল্পসমূহৰ কাৰ্যকৰীকৰণে দেশৰ পৰিবহণ ব্যৱস্থাটো সম্পূৰ্ণৰূপে সলনি কৰাৰ লগতে পৰিবহণ খণ্ডৰ জীৱন ৰেখা হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মন্তব্য কৰে।

**বাইট (পি এম)-২**

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণ কালত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ তিনিটা ৰে'ল প্ৰকল্প আৰু এহেজাৰ ৭৮০ কোটি টকা ব্যয়সাপেক্ষে তিনিটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় দুহেজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষে গুজৰাট চৰকাৰৰ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে মহাৰাষ্ট্ৰৰ মুম্বাইত গোলকীয় ফিন্‌টেক মহোৎসৱ ২০২৬ উদ্বোধন কৰাৰ উপৰি জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব।

০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ওপজা দিন। ১৯২৬ চনৰ আজিৰ দিনটোতে শদিয়াত জন্ম গ্ৰহণ কৰা ভূপেন হাজৰিকা এগৰাকী গীতিকাৰ, কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা, লেখক, সাংবাদিক আৰু ৰাজনীতিবিদ হিচাপে সু-পৰিচিত আছিল। ২০১১ চনৰ ৫ নৱেম্বৰত মৃত্যু হোৱা শিল্পীগৰাকীৰ এইবেলি জন্ম শতবৰ্ষ বছৰজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ড° ভূপেন হাজৰিকাৰ ১০০ বছৰীয়া জয়ন্তী উপলক্ষে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে ৰাধাকৃষ্ণণে কয়, যে অন্তস্পৰ্শী সংগীত আৰু শক্তিশালী গীতৰ কথাৰে শিল্পীগৰাকীয়ে অসমসহ উত্তৰ পূৰ্বাঞ্চলক বহল পৰিসৰলৈ লৈ গৈছিল। হাজৰিকাৰ কালজয়ী সৃষ্টিয়ে মানতাবাদ, সম্প্ৰীতি আৰু ভাৰতৰ বৈচিত্ৰ্যৰ মাজৰ ঐক্যৰ ধাৰণাক প্ৰতিফলিত কৰে বুলি তেওঁ কয়। শিল্পীগৰাকীৰ চহকী সৃষ্টিৰাজি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ববন্দিত শিল্পী তথা অসমৰ প্ৰাক্তন বিধায়ক, ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ জয়ন্তীত শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ড° হাজৰিকাৰ কণ্ঠত অসমৰ সুৰ প্ৰতিধ্বনিত হোৱাৰ লগতে তেওঁৰ কণ্ঠ সমগ্ৰ উত্তৰ-পূবৰ জাতি-জনগোষ্ঠীসমূহৰ অনুপ্ৰেৰণাৰ উৎস আছিল। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে প্ৰতিথযশা শিল্পীগৰাকীৰ গানত মানুহে একাত্মবোধ কৰাৰ লগতে অগণন মানুহৰ আশা আকাংক্ষাৰ সুৰ প্ৰতিধ্বনিত হৈছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত যোৱা বছৰ অনুষ্ঠিত শিল্পীগৰাকীৰ জয়ন্তীৰ শতবৰ্ষ উদযাপনৰ কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণৰ স্মৃতিও ৰোমন্থন কৰে। তেওঁ কয়, যে ড° হাজৰিকাৰ জীৱন আৰু কৰ্মই ভৱিষ্যতৰ প্ৰজন্মক অনুপ্ৰেৰণা যোগাই থাকিব।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও সুধাকণ্ঠৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে ড° ভূপেন হাজৰিকা এগৰাকী সাংস্কৃতিক আদৰ্শ ব্যক্তিত্ব হিচাপে অসমৰ আত্মাক তেওঁৰ কণ্ঠৰে তুলি ধৰাৰ লগতে ভাৰতৰ সাংস্কৃতিক ঐতিহ্যকো চহকী কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ড° হাজৰিকাৰ গীতসমূহত প্ৰতিফলিত সম্প্ৰীতি আৰু সামাজিক ন্যায়ৰ বাণীয়ে ভৱিষ্যত প্ৰজন্মক প্ৰেৰণা যোগাই থাকিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ জয়ন্তীত শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰী শ্ৰী শ্বাহে কয়, যে অসমীয়া সংস্কৃতিক বিশ্বৰ মঞ্চলৈ লৈ গৈছিল। তেওঁ কয়, যে ভূপেন হাজৰিকাৰ অবিস্মৰণীয় সৃষ্টিসমূহে প্ৰতিটো প্ৰজন্মকে অনুপ্ৰাণিত কৰি থকাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত বিশেষ অৰিহণা আগবঢ়াব।

আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গীত গোৱা শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ গীত-মাত তথা সৃষ্টিৰাজিক ধৰি ৰখাৰ প্ৰয়াসেৰে অসমৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰূপায়িত শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত আজি জালুকবাৰীৰ ডং ভূপেন হাজৰিকা সমন্বয় তীৰ্থত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা সমন্বয় তীৰ্থত উপস্থিত হৈ স্বনামধন্য শিল্পী ডং হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে ১০০ গৰাকী শিল্পীয়ে 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে' শীৰ্ষক গীতটি পৰিৱেশন কৰে। মুকলি সভাত মুখ্যমন্ত্ৰী ডং শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নিৰ্মাণ হ'বলগীয়া ডং ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা ভাৰ্চুৱেল মাধ্যমেৰে স্থাপন কৰে। একেদৰে মুখ্যমন্ত্ৰী ডং শৰ্মাই শিল্পীগৰাকীৰ জীৱন, কৰ্ম আৰু চিন্তাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে ইনষ্টা ৰীল প্ৰতিযোগিতাও মুকলি কৰে। এই অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়, যে ভূপেন হাজৰিকাৰ কৰ্মৰাজি সংৰক্ষণ কৰি নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে ৩৫ কোটি ৩৭ লাখ টকা ব্যয়সাপেক্ষে এই সংগ্ৰহালয়টো নিৰ্মাণ কৰা হ'ব। সংগ্ৰহালয়ৰ নিৰ্মাণৰ বাবে উত্তৰ-পূব পৰিষদে ১৪ কোটি টকা অনুদান আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰী ডং শৰ্মাই প্ৰকাশ কৰে।

সুধাকণ্ঠ ডং ভূপেন হাজৰিকাৰ ওপজা দিনৰ ওলগ তথা শ্ৰদ্ধা জনাই সদৌ অসম ছাত্ৰ সন্থাই আজি বিয়লি ৬ বজাত দীঘলীপুখুৰী পাৰত **উদ্দীপনা** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰিছে।

শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি শ্ৰীলংকালৈ ৰাওনা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে শ্ৰীলংকা ভাৰতৰ দীৰ্ঘদিনীয়া অংশীদাৰী দেশ আৰু ভাৰতৰ সৈতে ঐতিহাসিক তথা সভ্যতাকেন্দ্ৰিক গভীৰ সম্পৰ্ক আছে। তদুপৰি ভাৰতৰ প্ৰতিবেশী প্ৰথম নীতি আৰু মহাসাগৰ পদক্ষেৰ অধীনত শ্ৰীলংকা ভাৰতৰ গুৰুত্বপূৰ্ণ অংশীদাৰী দেশ হিচাপে বিবেচিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে শ্ৰীলংকা ভ্ৰমণকালত দেশখনত বাস কৰি থকা ভাৰতীয় মূলৰ লোকসকলৰ সৈতে কথা-বাৰ্তাত ভাগ ল'ব।

০০০০

আজি আন্তৰ্জাতিক সাক্ষৰতা দিৱস। ব্যক্তি, সংস্থা আৰু সমাজৰ বাবে সাক্ষৰতাৰ গুৰুত্ব সকলোকে উপলব্ধি কৰোৱাৰ উদ্দেশ্যে প্ৰতিবছৰে ৮ চেপ্তেম্বৰত বিশ্বজুৰি সাক্ষৰতা দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে **জনতা, বিশ্ব আৰু সমৃদ্ধিৰ বাবে সাক্ষৰতা**। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাষ্ট্ৰসংঘৰ সংস্থা ইউনেস্কোৱে ১৯৬৬ চনত ইয়াৰ সাধাৰণ সমাৰোহৰ চতুৰ্দশ অধিবেশনত আন্তৰ্জাতিক সাক্ষৰতা দিৱস উদ্‌যাপনৰ সিদ্ধান্ত লৈছিল। ইউনেস্কোৱে এইবাৰৰ সাক্ষৰতা দিৱস মেক্সিকো চৰকাৰৰ সৈতে সহযোগিতাৰে অনুষ্ঠিত কৰিছে। দিৱসৰ সৈতে সংগতি ৰাখি ইউনেস্কো আন্তৰ্জাতিক সাক্ষৰতা বঁটাসমূহো প্ৰদান কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে দিয়া মন্তব্যৰ বিপৰীতে ২০১৯ চনত ৰুজু হোৱা মান হানি গোচৰ সন্দৰ্ভত কংগ্ৰেছ নেতা ৰাহুল গান্ধীক জাৰি কৰা চমন বাতিল কৰিবলৈ বোম্বে উচ্চ ন্যায়ালয়ে আজি অস্বীকাৰ কৰে। ন্যায়াধীশ এন আৰ বৰ্কাৰক লৈ গঠিত এজনীয়া খণ্ডপীঠে এখন দণ্ডাধীশ আদালতে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই শ্ৰীগান্ধীয়ে দাখিল কৰা আবেদন অগ্ৰাহ্য কৰে। উচ্চ ন্যায়ালয়ে কংগ্ৰেছ সাংসদজনক

সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ পৰামৰ্শ দিয়ে। ৰাফেল যুদ্ধবিমান চুক্তি সন্দৰ্ভত ২০১৮ চনত শ্ৰীগান্ধীয়ে দিয়া এটা মন্তব্যক লৈ তেওঁৰ বিৰুদ্ধে মানহানিৰ গোচৰ ৰুজু হৈছিল। উচ্চ ন্যায়ালয়ে দণ্ডাধীশৰ নিৰ্দেশত কোনো আইন বিৰুদ্ধতা নাই বুলি মন্তব্য দি এইক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰে।

০০০০

চৌদি আৰৱত আজি হুথি সন্ত্ৰাসবাদীৰ আক্ৰমণত ৭০ৰো অধিক লোক আহত হয়। য়েমেনত এসপ্তাহৰ পূৰ্বে হুথি আৰু চৌদি আৰৱ  সমৰ্থিত চৰকাৰৰ মাজত হোৱা সংঘৰ্ষৰ পাছতে আজি হুথিয়ে এই আক্ৰমণ চলায়। চৌদি প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি দেশখনৰ আভা, জাজান, নাজৰান আৰু খামিছ মুছেইত মহানগৰত হুথিয়ে চলোৱা আক্ৰমণত মহিলা শিশুসহ কমেও ৭৩ গৰাকী আহত হয়।

০০০০

ভাৰতৰ জুনিয়ৰ পুৰুষ হকী দলে এচিয়া কাপ জুনিয়ৰ হকী প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশৰ সম্ভাৱনা উজ্জীৱিত কৰিছে। আজি চীনৰ মোকিত ভাৰতে- দক্ষিণ কোৰিয়াক ৭ -৩ গলত পৰাজিত কৰে। ভাৰতৰ হৈ অধিনায়ক আনমোল এক্কাই দুটা গল দিয়ে। যোৱাবাৰৰ ছেম্পিয়ন দলটোৱে ৩ খন খেলত এতিয়ালৈকে ৭ পইণ্ট অৰ্জন কৰিছে আৰু ছেমিফাইনেলত প্ৰৱেশৰ বাবে দলটোৱে কাইলৈ চাইনীজ টাইপেইৰ বিৰুদ্ধে জয়ী হব লাগিব।

০০০০

সমাপ্ত